**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
ooooooooo

১। ভাৰত আৰু নিউজিলেণ্ডে দুয়োদেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নৱ প্ৰজন্মক গ্ৰন্থাগাৰৰ সৈতে সংযোগ স্থাপনৰ বাবে আহ্বান জনাইছে।

৩। দেশে পৰম্পৰাগত প্ৰতিৰক্ষা সামৰ্থ্য আৰু অত্যাধুনিক প্ৰযুক্তি সুদৃঢ় কৰি শক্তিশালী আৰু আত্মনিৰ্ভৰ প্ৰতিৰক্ষা বাহিনী গঠনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নাগপুৰত ব্ৰিকচ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিবহন মন্ত্ৰীসকলৰ তৃতীয়খন বৈঠকত অধ্যক্ষতা কৰে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেলত আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooo

ভাৰত আৰু নিউজিলেণ্ডে দুয়োদেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। একে সময়তে দুয়োখন দেশে ২০৩০ চনৰ ভিতৰত সামগ্ৰী আৰু সেৱা সম্পৰ্কীয় দ্বিপাক্ষিক বাণিজ্যৰ বাৰ্ষিক পৰিমাণ দুগুণলৈ বৃদ্ধি কৰি ৩৫ হাজাৰ কোটি টকাত উপনীত কৰোৱাৰ লক্ষ্য গ্ৰহণ কৰিছে। অকলেণ্ডত দুয়োগৰাকী নেতাৰ মাজত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী দুগৰাকীৰ মাজত অনুষ্ঠিত এই বৈঠকত গ্ৰহণ কৰা আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ ভিতৰত অন্যতম হ'ল পৰৱৰ্তী ৪ বছৰৰ ভিতৰত দ্বিপাক্ষিক সম্পৰ্কৰ সম্প্ৰসাৰণ ঘটোৱাৰ পৰিকল্পনা, ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সামুদ্ৰিক পথত সহযোগিতাৰ লগতে ভাৰতীয় নৌসেনা আৰু নিউজিলেণ্ডৰ প্ৰতিৰক্ষা বাহিনীৰ মাজত পাৰস্পৰিক সহায়-সমৰ্থনৰ ব্যৱস্থা। এই বৈঠকৰ পাছত এটা যুটীয়া বিবৃতিত দুয়োগৰাকী নেতাই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল সন্দৰ্ভত তেওঁলোকৰ দৃষ্টিভংগীৰ বিষয়ে প্ৰকাশ কৰাৰ লগতে অঞ্চলটোক মুক্ত তথা মুকলিমৰীয়া আৰু সমৃদ্ধিশালী অঞ্চল হিচাপে গঢ়ি তোলাৰ দায়বদ্ধতাক দোঁহাৰে। তদুপৰি তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সীমান্তত সাৰ্বভৌমত্বক আঞ্চলিক সংহতি আৰু নিয়মানুৱৰ্তিতা অক্ষুন্ন ৰখাৰো পোষকতা কৰে। সাগৰ সম্পৰ্কীয় আইনক লৈ ৰাষ্ট্ৰসংঘৰ ১৯৮২ চনৰ সন্মিলনত গৃহীত সিদ্ধান্ত মানি চলাৰ লগতে মানি চলাৰ হকে আহ্বান জনোৱাৰ লগতে উভয় দেশে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সহযোগিতা, সমন্বয় আৰু তথ্যৰ আদান প্ৰদান শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে পৰস্পৰৰ মাজত নিৰাপত্তা সম্পৰ্কীয় বৈঠক অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। একে সময়তে

নেতা দুগৰাকীয়ে সমতাপূৰ্ণ তথা পৰস্পৰৰ বাবে লাভজনক ভাৰত - নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি সম্পন্ন হোৱাৰ বিষয়টোকো আদৰণি জনায়।

আনহাতে, পশ্চিম এছিয়াৰ সংঘৰ্ষজনিত পৰিস্থিতি সন্দৰ্ভত অঞ্চলটোত নতুনকৈ উত্তেজনা বৃদ্ধি পোৱাৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰি সংযমৰ জৰিয়তে সকলো শ্ৰেণীৰ নাগৰিকসৰ সুৰক্ষা নিশ্চিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ শ্ৰীমোদী আৰু শ্ৰীলাক্সন উভয়ে সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনায়। হৰমুজ প্ৰণালীৰে জাহাজৰ চলাচলত বাধা আৰোপ কৰা যিকোনো ধৰণৰ পদক্ষেপৰ বিৰোধিতা কৰাৰ লগতে অঞ্চলটোৰে বাণিজ্যিক জাহাজৰ মুক্ত চলাচল সুচল কৰি ৰখাৰ বিষয়তো গুৰুত্ব আৰোপ কৰে। একে সময়তে সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে আলোচনা অনুষ্ঠিত কৰাৰ বাবেও তেওঁলোকে আহ্বান জনায়। তদুপৰি নেতা দুগৰাকীয়ে, ৰাষ্ট্ৰসংঘৰ কাৰ্যকৰী সংস্কাৰ সাধনৰ হকে মত পোষণ কৰাৰ লগতে নিৰাপত্তা পৰিষদৰ সম্প্ৰসাৰণৰ প্ৰতিও সমৰ্থন ব্যক্ত কৰে।

০০০

প্ৰধানমন্ত্ৰী মোদীৰ নিউজিলেণ্ড ভ্ৰমণ সন্দৰ্ভত প্ৰাচ্যৰ দেশসমূহৰ দায়িত্বত থকা কেন্দ্ৰীয় সচিব ৰুদ্ৰেন্দ্ৰ টেণ্ডনে আজি অকলেণ্ডত এখন সংবাদ মেল অনুষ্ঠিত কৰে। এই সংবাদমেলত, দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্তৰ বিষয়ে সদৰি কৰি তেওঁ কয় যে এই সিদ্ধান্তই পৰস্পৰৰ মাজৰ সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব। ইয়াৰ ফলত দ্বিপাক্ষিক আৰু বহুপাক্ষিক উভয় দেশতে অধিক সহযোগিতাৰ পথ প্ৰশস্ত হব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যিকোনো ব্যক্তিৰ ব্যক্তিত্ব গঢ়াৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ ভূমিকাত আলোকপাত কৰি নৱ প্ৰজন্মক গ্ৰন্থাগাৰৰ সৈতে সংযোগ স্থাপনৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত আজি জয়প্ৰকাশ নাৰায়ণ ৰাজহুৱা গ্ৰন্থাগাৰ উদ্বোধন কৰি শ্ৰী শ্বাহে কয় যে লোকনায়ক জয়প্ৰকাশ নাৰায়ণ হৈছে এগৰাকী মহান স্বাধীনতা সংগ্ৰামী, চিন্তাবিদ, আৰু জাতীয় নেতা যিয়ে দেশৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে।দেশ আৰু ইয়াৰ জনসাধাৰণক বুজাৰ বাবে অধ্যয়ন অতি প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰ নিৰ্মাণত পুথিভঁৰালসমূহৰ ভূমিকাত আলোকপাত কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আধুনিক শিক্ষাৰ সমান্তৰালকৈ জনসাধাৰণৰ মাজত দেশৰ সংস্কৃতি আৰু জ্ঞান বিয়পোৱাৰ ক্ষেত্ৰত গ্ৰন্থাগাৰ হৈছে এটা শক্তিশালী মাধ্যম।

বাইট- অমিত শ্বাহ

শ্ৰী শ্বাহে কয় যে ৰাষ্ট্ৰ নিৰ্মানত অৰিহণা যোগোৱা আৰু দেশলৈ গৌৰৱ কঢ়িয়াই অনা সকলো কামেই জ্ঞানৰ সৈতে সম্পৰ্কিত আৰু গ্ৰন্থাগাৰসমূহ এনে জ্ঞানৰ অতি প্ৰয়োজনীয় উৎস। চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি উৎসাহিত কৰিবলৈ গ্ৰন্থাগাৰসমূহক বিদ্যালয়ৰ সৈতে সংযোগ কৰাৰ প্ৰচেষ্টা চলাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে গান্ধীনগৰ লোকসভা সমষ্টিত প্ৰতিখন গাঁৱতে গ্ৰন্থাগাৰ মুকলি কৰা হৈছে আৰু প্ৰতিটো গ্ৰন্থাগাৰতে ৩

পৰা ৪ হাজাৰ গ্ৰন্থ আছে। শ্ৰী শ্বাহে দিল্লী চৰকাৰক লোকনায়ক জয়প্ৰকাশ নাৰায়ণ ৰাজহুৱা পুথিভঁৰালক বিদ্যালয়ৰ সৈতে সংযোগ কৰিবলৈ আহ্বান জনায়।

বাইট- অমিত শ্বাহ

০০০

দেশে পৰম্পৰাগত প্ৰতিৰক্ষা সামৰ্থ্য আৰু অত্যাধুনিক প্ৰযুক্তি সুদৃঢ় কৰি শক্তিশালী, আত্মনিৰ্ভৰ আৰু ভৱিষ্যতৰ বাবে সক্ষম প্ৰতিৰক্ষা বাহিনী গঠনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। বিশাখাপট্টনমত আজি আই এন এছ মহেন্দ্ৰগিৰি নামৰ ছেভেণ্টিন এ প্ৰকল্পৰ অধীনত থলুৱাভাৱে নিৰ্মিত ষষ্ঠখন যুদ্ধজাহাজ নৌসেনা বাহিনীত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্তিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে ভৱিষ্যতৰ যুদ্ধত কৃত্ৰিম বুদ্ধিমত্তা আৰু অন্য নতুন প্ৰযুক্তি ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে যদিও দৃঢ় সংকল্প, অদম্য সাহস আৰু সামৰিক শক্তিৰে এনে যুদ্ধত জয়লাভ কৰিব  পৰা যায়। তেওঁ কয়, যে মহেন্দ্ৰগিৰি নামৰ জাহাজখনৰ অন্তৰ্ভুক্তি দেশৰ সামুদ্ৰিক শক্তি আৰু থলুৱা প্ৰতিৰক্ষা সামৰ্থ্য সুদৃঢ় কৰাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে পৰিগণিত হৈছে। এই যুদ্ধ জাহাজখন আকাশমাৰ্গ, জলপথ আৰু পানীৰ তলেৰে অহা ভাবুকি প্ৰতিহত কৰিবলৈ সক্ষম বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীসিঙে কয় যে এই জাহাজখনে ভাৰত মহাসাগৰ অঞ্চলত  দেশৰ সামুদ্ৰিক শক্তি বৃদ্ধিত সহায় কৰিব।

বাইট - ৰাজনাথ

০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি মহাৰাষ্ট্ৰৰ নাগপুৰত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিবহণ মন্ত্ৰীসকলৰ তৃতীয়খন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী গাডকাৰীয়ে কয় যে বৈঠকত প্ৰতিনিধিসকলে বিকল্প জৈৱ ইন্ধন আৰু প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰেৰে পথ, ৰেল, বিমান আৰু জলপথত কাৰ্বন নিৰপেক্ষ পৰিবহণ ব্যৱস্থা গঢ়াৰ দিশত বিভিন্ন প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰে। তেওঁ কয়, অধিক সংযুক্ত, স্থিতিস্থাপক আৰু বহনক্ষম পৰিবহণ খণ্ডৰ বাবে সহযোগিতা শক্তিশালী কৰাৰ দিশত ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত শেহতীয়া প্ৰযুক্তি আৰু উদ্ভাৱনসমূহ ভাগ-বতৰা কৰা হৈছে । তদুপৰি এই দেশসমূহৰ মাজত সহযোগিতা সুদৃঢ় কৰাৰ বাবে এই বৈঠকতে ব্ৰিকছৰ মন্ত্ৰীসকলৰ ঘোষণা প্ৰস্তাৱ ২০২৬ গ্ৰহণ কৰা হয়।

বৈঠকত ব্ৰাজিল, চীন, ইজিপ্ত, ইণ্ডোনেছিয়া, ইৰাণ, ৰাছিয়া, চৌদি আৰব, দক্ষিণ আফ্ৰিকা, ইথ'পিয়া আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ পৰিবহণ মন্ত্ৰীসকলে নিজ নিজ বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে ভাৰতৰ অধ্যক্ষতাত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে নাগপুৰত অনুষ্ঠিত এই বৈঠকৰ বিষয়বস্তু হৈছে- "স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ"।

০০০

ছিকিম পুনৰ জনমূৰি আয়ৰ দিশৰ পৰা দেশৰ ভিতৰত সবাতোকৈ চহকী ৰাজ্য হিচাপে পৰিগণিত হৈছে। শেহতীয়া তথ্য অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ জনমূৰি আয় ৬ লাখ ৪৬ হাজাৰ টকা আৰু এই পৰিমাণ ৰাষ্ট্ৰীয় গড়তকৈ প্ৰায় ৩ গুণ অধিক। উল্লেখযোগ্য যে ছিকিমে কমেও এটা দশক ধৰি জনমূৰি আয়ৰ দিশৰ পৰা দেশৰ সবাতোকৈ সমৃদ্ধিশালী ৰাজ্যৰ মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছে।

০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেলত  আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মায়ামী ষ্টেডিয়ামত  খেলখন ভাৰতীয় সময় অনুসৰি নিশা আঢ়ৈ বজাত আৰম্ভ হ'ব। ইপিনে ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ছয় বজাত হ'বলগীয়া আন এখন কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

স্পেইন আৰু ফ্ৰান্স ইতিমধ্যে প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা বেলজিয়ামক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ লগতে ফ্ৰান্সে মৰক্কোক ২-০ গ'লত পৰাস্ত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে।

০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ  পঞ্চম তথা অন্তিমখন খেল আজি চাউথামটনৰ ইউটিলিটা বাওলত  অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ইংলেণ্ডে ইতিমধ্যে তিনিখন খেলতে বিজয় সাব্যস্ত কৰি শৃংখলাটো দখল কৰিছে।

০০০

সমাপ্ত